Acc.No:....1

D.K. Girls' College Library
Estd.-1988, Mirza

দাবী উত্থাপন কৰিছে।

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত প্ৰাক্তন ছাত্ৰী সমাৰোহ

নিজা বাতৰি দিওঁতা

বৰিহাট, ৫ আগষ্ট ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত ৭ আগষ্টত অহিন বছৰৰ দৰে এইবেলিও প্ৰাক্তন ছাত্ৰী সমাৰোহ অনুষ্ঠিত কৰা হ'ব বুলি জানিবলৈ দিছে সভানেত্ৰী কুমাৰাণী শইকীয়া আৰু সম্পাদিকা শিল্পীসুধা গোস্বামীয়ে। এই উপলক্ষে উদ্‌যাপন সমিতিৰ বিভিন্ন উপ-সমিতিবোৰৰ দ্বাৰা বৃক্ষৰোপণ, স্মৃতি তৰ্পণ, প্ৰাচীৰ পত্ৰিকা উন্মোচন, এলুম্‌নি এলবাম উন্মোচন আদিকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰিছে উদ্যোক্তাসকলে। সমাৰোহত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰীসকলৰ উপস্থিতি উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে। উল্লেখ্য যে দক্ষিণ কামৰূপ অঞ্চলৰ স্ত্ৰী-শিক্ষাৰ প্ৰাণকেন্দ্ৰ উক্ত মহাবিদ্যালয়খনে সাতাইশ বছৰীয়া এক পৰিক্ৰমাৰে মিৰ্জাত শিক্ষা আগবঢ়াই আহি প্ৰতিষ্ঠা লাভ কৰিছে। ২০০২ বৰ্ষৰ পৰা মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰীসকলে এনে সমাৰোহখনিৰ আয়োজন কৰি আহিছে।

Source :- DAINIK ASAM - 06 August/2016 P. = 8
দৈনিক অসম - ৬ আগষ্ট / ২০১৬ পৃঃ - ৮

Acc.No:....2

D.K. Girls' College Library
Estd.-1988, Mirza



■ মামণি ৰয়ছম গোস্বামী আছিল এগৰাকী মানৱতাবাদী নাৰী—ভগ্নী সবিতা শৰ্মা ■

# জ্ঞানপীঠ বিজয়িনীৰ নামেৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত ছাত্ৰী নিৱাস উদ্বোধন

নিজা বাতৰি দিওঁতা

**বৰিহাট, ২০ আগষ্ট ঃ** 'জ্ঞানপীঠ বঁটা বিজয়িনী মামণি ৰয়ছম বা ড° ইন্দিৰা ৰয়ছম গোস্বামী আছিল এগৰাকী মানৱতাবাদী নাৰী। সাধনা আৰু সময়ৰ সঠিক ব্যৱহাৰৰ প্ৰতি অশেষ গুৰুত্ব আৰোপ কৰা সাহিত্যিকগৰাকীয়ে জীৱনত লগ পাইছিল অমৃতা প্ৰীতম, নাইপল আদিৰ দৰে মানৱ দৰদী বিশিষ্ট লোকক'— এই মন্তব্য সাহিত্যিকগৰাকীৰ ভগ্নী সবিতা শৰ্মাৰ। আজি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত অনুষ্ঠিত হোৱা এখন সভাত উপস্থিত থাকি সবিতা শৰ্মাই কয় যে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ বাবেই মামণি ৰয়ছম গোস্বামীয়ে বিশ্ব ঘূৰি পুনৰ অসমলৈ আহিছিল। উল্লেখ্য যে, আজি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত ইউজিচিৰ পৰা অনুমোদন লাভ কৰা এটি ছাত্ৰী নিৱাস উদ্বোধন অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সবিতা শৰ্মাই মহাবিদ্যালয়খনত সাহিত্যিকগৰাকীৰ



নামেৰে ছাত্ৰী নিৱাসৰ নিৰ্মাণ কৰাত বাৰুকৈয়ে উৎফুল্লিত হয়। তেওঁ লগতে মিৰ্জা চ'কটোও মামণি ৰয়ছম গোস্বামীৰ নামত নামকৰণ কৰাত অঞ্চলটোৰ ৰাইজ তথা বিভাগীয় কৰ্তৃপক্ষলৈ কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ সাহিত্যিক গৰাকীৰ নীলকণ্ঠী ব্ৰজ, চেনাবৰ সোঁত, অহিৰণ, তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা, দঁতাল হাতীৰ উঁয়ে খোৱা হাউদা আদি উপন্যাসৰো কিছু বিশ্লেষণ দাঙি ধৰে। উক্ত ছাত্ৰী নিৱাসটো একেলগে উদ্বোধন কৰে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° হিতেশ ডেকা, বিশ্ববিদ্যালয় অনুদান আয়োগ, উত্তৰ-পূব ক্ষেত্ৰীয় কাৰ্যালয়ৰ যুটীয়া সচিব ড° মহম্মদ আৰিফ,দক্ষিণ কামৰূপ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ড° পাহাৰী কোঁৱৰ আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। লগতে মহাবিদ্যালয়খনৰ আজি নৱাগত আদৰণী সভাখনিও একেলগে অনুষ্ঠিত হৈ যায়। আদৰণী সভাত বিভিন্ন গীত-মাত আদি পৰিৱেশন কৰা হয়।

DAINIK ASAM - 21 August/ 2016 P. 13

দৈনিক অসম - ২১ আগষ্ট/ ২০১৬ পৃ: ১৩